**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০০০০

১। নাগৰিকসকলৰ হৃদয়ত দেশপ্ৰেম জগাই তোলাৰ উদ্দেশ্যে আজিৰে পৰা ১৫ আগষ্টলৈ দেশজুৰি **হৰ ঘৰ তিৰংগা** অভিযান চলোৱা হৈছে।

২। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুযায়ী ভাৰত-বাংলাদেশ সীমান্ত সম্প্ৰতি বন্ধ কৰি ৰখা হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

৩। উচ্চতম ন্যায়ালয়ে আজি আম আদমী পাৰ্টীৰ নেতা  মনিষ চিচডিয়াৰ জামিন মঞ্জুৰ কৰে।

৪। ভাৰতীয় এথলীট নীৰজ চোপ্ৰাই যোৱানিশা পেৰিছ অলিম্পিকৰ পুৰুষৰ জেভলিনত ৰূপৰ পদক অৰ্জন কৰে।

*আৰু*

৫। পেৰিছ অলিম্পিকত আজি ভাৰতীয় এথলীটসকলে মল্লযুদ্ধ, এথলেটিকছ্ আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০

নাগৰিকসকলৰ হৃদয়ত দেশপ্ৰেম জগাই তোলাৰ উদ্দেশ্যে আজিৰ পৰা ১৫ আগষ্টলৈ দেশজুৰি **হৰ ঘৰ তিৰংগা** অভিযান চলোৱা হৈছে। নতুন দিল্লীত কালি এখন সংবাদমেলক সম্বোধন কৰি সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে  প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে, স্বাধীনতাৰ অমৃত মহোৎসৱৰ সৈতে সংগতি ৰাখি ২০২২ চনত   **হৰ ঘৰ তিৰংগা** আৰম্ভ কৰা হৈছিল। তেওঁ কয় যে, যোৱা বছৰ ১০ কোটিতকৈ অধিক লোকে ৰাষ্ট্ৰীয় পতাকাৰ সৈতে ছেলফি আপলোড কৰিছে। এইবেলি **হৰ ঘৰ তিৰংগা** অভিযানৰ সময়ত ২০০ৰো অধিক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ১৩ আগষ্টত সাংসদ আৰু মন্ত্ৰীসকলে তিৰংগা বাইক ৰেলীত ভাগ ল'ব।

দেশজোৰা অভিযান **হৰ ঘৰ তিৰংগাৰ** অংশ হিচাপে ভাৰতীয় জনতা পাৰ্টীয়ে অহা ১১ আগষ্টৰ পৰা ১৩ আগষ্টলৈ প্ৰতিটো বিধানসভা সমষ্টিতে তিৰংগা যাত্ৰা কাৰ্যসূচী অনুষ্ঠিত কৰিব। বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তৰুণ চুঘে এটা বিবৃতিযোগে কৈছে যে অহা ১২ আগষ্টৰ পৰা ১৪ আগষ্টলৈ দেশজুৰি স্বাধীনতা সংগ্ৰামী আৰু স্মৃতি সৌধসমূহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। তেওঁ কয় যে ১৪ আগষ্টত প্ৰতিখন জিলাতে মৌন সমদল কৰি বিভাজন স্মৰণ দিৱস পালন কৰা হ'ব।

০০০০০

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ অশান্ত পৰিস্থিতি আৰু ভাৰতৰ সীমাসুৰক্ষা সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে, কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুযায়ী ভাৰত-বাংলাদেশ সীমান্ত সম্প্ৰতি বন্ধ কৰি ৰখা হৈছে। মুখ্যমন্ত্ৰীয়ে কালি সংবাদ মাধ্যমৰ আগত এই বিষয়ে অৱগত কৰি কয় যে, কেৱল পাছপ'ৰ্ট থকা শিক্ষাৰ্থীয়েহে বাংলাদেশৰ পৰা ভাৰতলৈ আহিব পাৰিব। পাছপ'ৰ্ট অবিহনে কোনো লোককে বাংলাদেশৰ পৰা ভাৰতত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

ইপিনে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে কয় যে অসম আৰক্ষীয়ে বাংলাদেশৰ শেহতীয়া পৰিস্থিতি পৰ্যালোচনা কৰি আছে। ইয়াৰ অংশ হিচাপে সীমান্তত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ লগতে সীমান্ত সুৰক্ষা বাহিনীও সক্ৰিয় হৈ থকা বুলি তেওঁ উল্লেখ কৰে। তদুপৰি বাংলাদেশৰ পৰা যাতে কোনো লোক অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে অসম আৰক্ষীয়ে দৃষ্টি ৰাখিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ধুবুৰী, কাছাৰ, দক্ষিণ শালমাৰা মানকাচৰ আদি সীমান্তৱৰ্ত্তী জিলাৰ আৰক্ষী অধীক্ষকসকলক অধিক সক্ৰিয় হ'বলৈ নিৰ্দেশ দিয়া হৈছে। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীৰ লগতে যিকোনো ধৰণৰ সম্ভাব্য কূটাঘাত ৰোধ কৰিবলৈ নিৰাপত্তাৰক্ষীসকলক সাজু হৈ থাকিবলৈ আহ্বান জনায়।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি কয় যে ৰাছিয়াৰ সশস্ত্ৰ সেনাত ৯১ গৰাকী ভাৰতীয় নিয়োগ কৰা হৈছিল। লোকসভাৰ এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত ড০ এছ্ জয়শংকৰে কয় যে ইয়াৰে দুৰ্ভাগ্যজনকভাৱে ৮গৰাকী ভাৰতীয় জোৱানৰ মৃত্যু হৈছে আৰু ১৪ গৰাকীক অব্যাহতি দিয়া হৈছে। ৬৯গৰাকী ভাৰতীয় জোৱানে ৰাছিয়াৰ সেনাৰ পৰা অব্যাহতি বিচাৰিছে বুলি তেওঁ জনায়। বিষয়টো ভাৰতে গভীৰভাৱে লৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। তেওঁ কয় যে ৰাছিয়াৰ বিদেশ মন্ত্ৰীৰ সৈতে তেওঁ এই সন্দৰ্ভত কেইবাবাৰো কথা পাতিছে। তেওঁ পুনৰ কয় যে যোৱা মাহত ৰাছিয়া ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী মোদীক ৰাছিয়াৰ ৰাষ্ট্ৰপতিয়ে ৰাছিয়াৰ সেনাত নিয়োজিত ভাৰতীয়সকলক অব্যাহতি দিব বুলি আশ্বাস দিছিল। ড০ জয় শংকৰে কয় যে ৰাছিযাৰ সেনাৰ সৈতে ভাৰতীয় জোৱানকেইজনৰ চুক্তিৰ বাবে সমস্যাটোৰ সৃষ্টি হৈছে। তেওঁ আঙুলিয়াই দিয়ে যে বহু পৰিস্থিতিত ভাৰতীয় নাগৰিকক অন্য চাকৰিৰ প্ৰলোভন দি পাছত ৰাছিয়াৰ সেনাত নিয়োগ কৰা হয়।

ooooo

উচ্চতম ন্যায়ালয়ে আজি আম আদমী পাৰ্টীৰ নেতা  মনিষ চিচ'ডিয়াক আবকাৰী নীতি অনিয়মৰ গোচৰত জামিন মঞ্জুৰ কৰে। উচ্চতম ন্যায়ালয়ে কৈছে যে চিচ'ৰিয়া ১৭ মাহধৰি জিম্মাত আছিল। বিধিবলবৎকাৰী সঞ্চালকালয় আৰু কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাৰ দুয়োটা গোচৰতে শ্ৰী চিচ'ৰিয়াৰ জামিন মঞ্জুৰ হৈছে।

ooooo

নবেল ব'টা প্ৰাপক মহম্মদ ইউনুছে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰববী হিচাপে শপতগ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতি মহম্মদ শ্বাহাবুদ্দিনে যোৱানিশা ঢাকাৰ বংগ ভৱনত তেওঁক শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত বিভিন্ন দেশৰ কূটনীতিবিদ উপস্থিত থাকে। ১৯৪০ চনৰ ২৮ জুনত জন্মগ্ৰহণ কৰা মহম্মদ ইউনুছ বাংলাদেশৰ এগৰাকী প্ৰসিদ্ধ উদ্যমী তথা অৰ্থনীতিবিদ। গ্ৰামীণ বেংকৰ প্ৰতিষ্ঠা আৰু ক্ষুদ্ৰ ঋণ আৰু বিত্তীয় যোগানৰ অৱধাৰণা আগুৱাই নিয়াৰ বাবে তেওঁক ২০০৬ বৰ্ষত শান্তিৰ নবেল বঁটাৰে সন্মানিত কৰা হৈছিল।

ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাংলাদেশত নতুন দায়িত্ব গ্ৰহণ কৰাৰ বাবে মহম্মদ ইউনুছক অভিনন্দন জনাইছে। শ্ৰীমোদীয়ে  সামাজিক মাধ্যম যোগে বাংলাদেশত হিন্দু আৰু অন্য সংখ্যালঘু সম্প্ৰদায়ৰ সুৰক্ষা সুনিশ্চিত কৰি শীঘ্ৰে স্বাভাৱিক অৱস্থা ঘূৰি আহিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে, শান্তি, সুৰক্ষা আৰু বিকাশৰ বাবে দুয়োখন দেশৰ জনসাধাৰণৰ উমৈহতীয়া আশা-আকাংক্ষা পূৰণ কৰাৰ অৰ্থে বাংলাদেশৰ সৈতে কাম কৰিবলৈ ভাৰত বদ্ধপৰিকৰ।

ooooo

ভাৰতীয় এথলীট নীৰজ চোপ্ৰাই বছৰৰ শ্ৰেষ্ঠ প্ৰদৰ্শনেৰে  ৮৯ দশমিক ৪-৫ মিটাৰলৈ জাঠী নিক্ষেপ কৰি যোৱানিশা পেৰিছ অলিম্পিকৰ পুৰুষৰ জেভলিনত ৰূপৰ পদক অৰ্জন কৰে। পাকিস্তানৰ অৰ্শদ নদীমে ৯২ দশমিক ৯-৭ মিটাৰলৈ জাঠী নিক্ষেপ কৰি ৯০ দশমিক ৫-৭ মিটাৰৰ সৰ্বকালৰ অলিম্পিক অভিলেখ ভংগ কৰি সোণৰ পদক অৰ্জন কৰে।

কালিৰ প্ৰদৰ্শনৰ সুবাদত নীৰজ চোপ্ৰা স্বাধীনতা লাভৰ পাছত এথলেটিক্সত দুটাকৈ পদক অৰ্জন কৰা ভাৰতীয় ট্ৰেক এণ্ড ফিল্ড এথলীট ৰূপে পৰিগণিত হৈছে। নীৰজ চোপ্ৰা ২০০৮ আৰু ২০১২ৰ অলিম্পিকত ক্ৰমে ব্ৰঞ্জ আৰু ৰূপৰ পদক লাভ কৰা মল্লযোদ্ধা সুশীল কুমাৰৰ পাছত একেৰাহে পদক অৰ্জন কৰা দ্বিতীয়গৰাকী ভাৰতীয় পুৰুষ খেলুৱৈ আৰু সামগ্ৰীকভাৱে দেশৰ তৃতীয়গৰাকী খেলুৱৈৰূপে পৰিগণিত হৈছে। উল্লেখযোগ্য যে, পি ভি সিন্ধুৱেও ৰিঅ' আৰু টকিঅ' অলিম্পিকত একেৰাহে পদক অৰ্জন কৰিছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে অলিম্পিকত ৰূপৰ পদক অৰ্জন কৰাৰ বাবে নীৰজ চোপ্ৰাক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁৰ বাৰ্তাত কয় যে, খেলুৱৈগৰাকীক লৈ দেশ গৌৰৱান্বিত আৰু তেওঁৰ সাফল্যই ভৱিষ্যতৰ প্ৰজন্মসমূহক অনুপ্ৰেৰণা যোগাব।

প্ৰধানমন্ত্ৰী মোদীয়ে নিজৰ বাৰ্তাত কয় যে, নীৰজ চোপ্ৰাই বাৰে বাৰে নিজৰ প্ৰতিভাৰ পৰিচয় দি আহিছে। তেওঁ কয় যে, নীৰজ পুনৰ অলিম্পিক সফলতাৰে স্বদেশলৈ ঘূৰি অহা কথাটোৱে দেশবাসীক আনন্দিত কৰিছে।

গৃহমন্ত্ৰী অমিত শ্বাহে এটা বাৰ্তা যোগে নীৰজ চোপ্ৰাৰ প্ৰশংসা কৰি কয় যে, খেলুৱৈগৰাকীয়ে ত্ৰিৰংগ পতাকাৰ মান বৃদ্ধি কৰিছে।

লোকসভাই আজি নীৰজ চোপ্ৰাই ৰূপৰ পদক পোৱাৰ বাবে আৰু ভাৰতীয় হকী দলটোৱে ব্ৰঞ্জৰ পদক লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে এই ঐতিহাসিক বিজয়ে দেশৰ যুৱ প্ৰজন্মক অনুপ্ৰেৰণা যোগাব।

ooooo

পেৰিছ অলিম্পিকত আজি ভাৰতীয় এথলীটসকলে মল্লযুদ্ধ, এথলেটিকছ আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। মল্লযুদ্ধত অমন শ্বেৰাৱটে পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদকৰ যুঁজত পুৱেৰ্টো ৰিকোৰ প্ৰতিদ্বন্দ্বীৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় অনুসৰি নিশা প্ৰায় ৯ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। এথলেটিকছত ভাৰতৰ পুৰুষ আৰু মহিলা দলে ফৰ ইনটু ফৰ হাণ্ডেড মিটাৰ ৰিলে দৌৰত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। পুৰুষ দলটো দিনৰ ২ বাজি ৩৫ মিনিটত হিট টুত অৱতীৰ্ণ হোৱাৰ বিপৰীতে মহিলা ৰিলে দলটো দিনৰ ২ বাজি ১০ মিনিটত হিট টুৰ প্ৰথম ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে অদিতি অশোক আৰু দীক্ষা দাগৰে গল্ফৰ তৃতীয় ৰাউণ্ডত দেশত প্ৰতিনিধিত্ব কৰিব। তৃতীয় ৰাউণ্ডৰ খেলসমূহ দুপৰীয়া প্ৰায় চাৰে ১২ বজাত আৰম্ভ হ'ব।

০০০০০

পেৰিছ অলিম্পিকত আজি ভাৰতীয় এথলীটসকলে মল্লযুদ্ধ, এথলেটিকছ্ আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। মল্লযুদ্ধত অমন শ্বেৰাৱটে পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদকৰ যুঁজত পুৰেৰ্টো ৰিকোৰ প্ৰতিদ্বন্দ্বীৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় অনুসৰি নিশা প্ৰায় ৯ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। এথলেটিকছ্‌ত ভাৰতৰ পুৰুষ আৰু মহিলা দলে ফৰ ইনটু ফৰ হাণ্ড্ৰেড মিটাৰ ৰিলে দৌৰত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। পুৰুষ দলটো দিনৰ ২ বাজি ৩৫ মিনিটত হিট টুত অৱতীৰ্ণ হোৱাৰ বিপৰীতে মহিলা ৰিলে দলটো দিনৰ ২ বাজি ১০ মিনিটত হিট টুৰ প্ৰথম ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে অদিতি অশোক আৰু দীক্ষা দাগৰে গল্ফৰ তৃতীয় ৰাউণ্ডত দেশত প্ৰতিনিধিত্ব কৰিব। তৃতীয় ৰাউণ্ডৰ খেলসমূহ দুপৰীয়া প্ৰায় চাৰে ১২ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**